# অসম প্ৰদেশ কংগ্ৰেছ কমিটী
# বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভা
## তাৰিখঃ ৪ ছেপ্টেম্বৰ, ২০১৬
## স্থানঃ মানবেন্দ্ৰ শৰ্মা চৌহদ, গুৱাহাটী

## অৰ্থনৈতিক প্ৰস্তাৱ

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি শ্ৰীযুত ৰিপুন বৰাৰ সভাপতিত্বত আজি ৪ ছেপ্টেম্বৰ, ২০১৬, তাৰিখে গুৱাহাটীত অনুষ্ঠিত হোৱা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভাত বিজেপি চৰকাৰৰ বিগত তিনিমহীয়া শাসনকালত সৃষ্টি হোৱা ভয়াবহ অৰ্থনৈতিক পৰিস্থিতিত গভীৰ উদ্বেগ প্ৰকাশ কৰে। মাত্ৰ তিনিমাহ আগতে অসমৰ ৰাইজৰ বিপুল সমৰ্থনত শাসনৰ গাদীত বহা চৰকাৰখনৰ ভুল বিত্তীয় নীতি, দৰিদ্ৰ বিৰোধী আৰু জনবিৰোধী নীতিৰ ফলত এই চৰকাৰৰ ওপৰত থকা ৰাইজৰ সকলো আশা আকাঙ্খ্যাত চেঁচা পানী পৰিল। নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ আকাশলঙ্ঘী মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজৰ দৈনন্দিন জীৱন দুৰ্বিসহ কৰি তুলিছে।

১) <u>১ শতাংশ ভেট বৃদ্ধিঃ</u>

২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত কেন্দ্ৰত বিজেপি চৰকাৰ অধিষ্ঠিত হোৱাৰ পাছৰে পৰা সমগ্ৰ দেশতে দ্ৰব্য মূল্য বৃদ্ধি হোৱা সত্বেও অসমৰ তিনিমহীয়া বিজেপি চৰকাৰে পুঁজিপতিসকলৰ স্বাৰ্থ সুৰক্ষাৰ বাবে সৰ্বসাধাৰণ ৰাইজৰ মূৰত মাধমাৰ শোধাই ১ শতাংশ ভেট বৃদ্ধি কৰি পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ আমোলৰ ৫ শতাংশৰ পৰা ৬ শতাংশলৈ বৃদ্ধি কৰাত ৰাজ্যখনত প্ৰায় ১৩২ বিধ সামগ্ৰীৰ মূল্য বৃদ্ধিয়ে জনসাধাৰণক গেলাতে টেঁঙা দিছে। এই চৰকাৰ ৰাইজৰ অভাৱ অভিযোগৰ প্ৰতি ইমানেই অসংবেদনশীল যে ১ শতাংশ ভেট বৃদ্ধিৰ ফলত ৰাজ্যখনত বিভিন্ন খাদ্য সামগ্ৰী, দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰী, বিভিন্ন গৃহ নিৰ্মাণ সামগ্ৰী আনকি জনসাধাৰণৰ স্বাস্থ্য সম্পৰ্কীয় সামগ্ৰীৰ দাম হুৰাহুৰে বৃদ্ধি হোৱাৰ পাছতো অসমৰ বিত্তমন্ত্ৰী গৰাকীয়ে ভেট বৃদ্ধিৰ বাবে মূল্যবৃদ্ধি হোৱা নাই বুলি একাধিকবাৰ সংবাদ মাধ্যমত দম্ভালী মাৰি কৰা মন্তব্যই অসমৰ ৰাইজৰ প্ৰতি চৰম ভেঙুচালি কৰিছে। আজিৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভাই অসমৰ বিজেপি চৰকাৰে ১ শতাংশ ভেট বৃদ্ধি কৰা কাৰ্যক তীব্ৰ ভাষাৰে বিৰোধিতা কৰিছে।

২) <u>নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ আকাশলঙ্ঘী মূল্যবৃদ্ধিঃ</u>

অসমৰ বিজেপি চৰকাৰখনৰ সুস্থ অৰ্থনীতিৰ অভাৱত আৰু সু-শৃংখল বিত্তীয় পৰিচালনা জ্ঞানৰ অভাৱৰ বাবে লগতে বৃহৎ পুঁজিপতি গোষ্ঠীৰ স্বাৰ্থ সুৰক্ষা কৰিবলৈ লোৱাত অসমত যোৱা তিনিটা মাহত স্বাধীনতাৰ পিছৰ সৰ্বকালৰ অভিলেখ ভঙ্গ কৰি নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্যবৃদ্ধি ঘটিছে। যাৰ ফলত সৰ্বসাধাৰণ ৰাইজৰ দুবেলা দুমুঠি ভাতৰ বাবে এক প্ৰত্যাহ্বান আহিছে। তলত উল্লেখ কৰা তুলনামূলক খতিয়ানে সাব্যস্ত কৰিব যোৱা তিনিমাহত কেনেধৰণে দ্ৰব্যমূল্য বৃদ্ধি পাইছে।

ক্ৰমশ...

| সামগ্ৰীৰ নাম | তিনিমাহ পূৰ্বে কংগ্ৰেছ চৰকাৰৰ আমোলত মূল্য | বৰ্তমান বিজেপি চৰকাৰৰ আমোলত মূল্য | বৃদ্ধিৰ পৰিমান (তিনি মাহত) |
|---|---|---|---|
| ১) মাহজাতীয় শস্য | প্ৰতি কেজিত ৭০-৯৪ টকা | প্ৰতি কেজিত ৮৪-১৪৫ টকা | প্ৰতি কেজিত ৫১ টকা |
| ২) মিঠাতেল | প্ৰতি লিটাৰত ১০৫ টকা | প্ৰতি লিটাৰত ১৩৫ টকা | প্ৰতি লিটাৰত ৩০ টকা |
| ৩) কাবুলী বুট | প্ৰতি কেজিত ৭০ টকা | প্ৰতি কেজিত ১৩০ টকা | প্ৰতি কেজিত ৬০ টকা |
| ৪) দেশী বুট | প্ৰতি কেজিত ৭০ টকা | প্ৰতি কেজিত ১০০ টকা | প্ৰতি কেজিত ৩০ টকা |
| ৫) মাটি দাইল | প্ৰতি কেজিত ৬৮ টকা | প্ৰতি কেজিত ১২০ টকা | প্ৰতি কেজিত ৫২ টকা |
| ৬) ৰহৰ দাইল | প্ৰতি কেজিত ৮৫ টকা | প্ৰতি কেজিত ১৩০ টকা | প্ৰতি কেজিত ৫৫ টকা |
| ৭) বুট দাইল | প্ৰতি কেজিত ৭৫ টকা | প্ৰতি কেজিত ১০৮ টকা | প্ৰতি কেজিত ৩৩ টকা |
| ৮) আটা | প্ৰতি কেজিত ১৮ টকা | প্ৰতি কেজিত ২৪ টকা | প্ৰতি কেজিত ৬ টকা |
| ৯) ময়দা | প্ৰতি কেজিত ২০ টকা | প্ৰতি কেজিত ২৬ টকা | প্ৰতি কেজিত ৬ টকা |
| ১০) চেনী | প্ৰতি কেজিত ৩৫ টকা | প্ৰতি কেজিত ৫০ টকা | প্ৰতি কেজিত ১৫ টকা |
| ১১) আলু | প্ৰতি কেজিত ১৬ টকা | প্ৰতি কেজিত ২৫ টকা | প্ৰতি কেজিত ৯ টকা |
| ১২) পিয়াজ | প্ৰতি কেজিত ১৬ টকা | প্ৰতি কেজিত ২২ টকা | প্ৰতি কেজিত ৬ টকা |
| গৃহ নিৰ্মাণ সামগ্ৰী | | | |
| ১) চিমেণ্ট | প্ৰতি বেগ ৩৫০ টকা | প্ৰতি বেগ ৪০০ টকা | প্ৰতি বেগত ৫০ টকা |
| ২) লোহা | প্ৰতি কুইন্টল ৩৫০০ টকা | প্ৰতি কুইন্টল ৩৮০০ টকা | প্ৰতিকুইন্টলত ৩০০ টকা |
| ৩) বালি | প্ৰতি ট্ৰাকত ৭০০ টকা | প্ৰতি ট্ৰাকত ১৩০০ টকা | প্ৰতি ট্ৰাকত ৬০০ টকা |

কেৱল ইমানেই নহয় চিমেণ্টৰ মূল্যবৃদ্ধিত স্বয়ং মুখ্যমন্ত্ৰীয়ে চিমেণ্ট কোম্পানীৰ প্ৰতিনিধিসকলক লৈ আলোচনা কৰি প্ৰতি বেগত ২০ টকা বৃদ্ধি কৰিবলৈ দিয়া আনুষ্ঠানিক আদেশে চৰকাৰৰ পুঁজিপতি আৰু উদ্যোগপতিৰ লগত থকা গোপন সম্পৰ্কৰ ওপৰত সন্দেহ ঘনীভূত কৰি তুলিছে। উল্লেখযোগ্য যে কংগ্ৰেছ আমোলত সামান্য পৰিমাণৰ মূল্যবৃদ্ধি হওঁতেই বিজেপি দলে অসমত কংগ্ৰেছৰ চিণ্ডিকেটৰাজৰ বাবে মূল্যবৃদ্ধি হোৱা বুলি সোচ্চাৰ হৈ পৰিছিল। এতিয়া স্বাভাৱিকতে প্ৰশ্ন হয় বিজেপিৰ এই তিনিমহীয়া শাসনকালত হোৱা আকাশলংঘী মূল্যবৃদ্ধি চিণ্ডিকেটৰাজৰ বাবে হৈছে নেকি তাক স্পষ্ট কৰিবলৈ আজিৰ সভাই দাবী জনায়। লগতে দ্ৰব্যমূল্য নিয়ন্ত্ৰণ কৰাত বিজেপি চৰকাৰ সম্পূৰ্ণভাৱে ব্যৰ্থ হৈছে আৰু বৃহৎ ব্যৱসায়ী গোষ্ঠীৰ ওচৰত আত্মসমৰ্পন কৰাৰ বাবেই মূল্যবৃদ্ধিত ৰাইজে এনেদৰে দুৰ্ভোগ ভুগিছে বুলি মত পোষণ কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ আজিৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভাই বিজেপি চৰকাৰৰ এই তিনিমহীয়া কাৰ্যকালত হোৱা আকাশলংঘী দ্ৰব্যমূল্য বৃদ্ধিত তীব্ৰ প্ৰতিবাদ কৰিছে আৰু চৰকাৰক অনতি বিলম্বে মূল্যবৃদ্ধি ৰোধ কৰিবলৈ দাবী জনাইছে।

৩) <u>ৰন্ধন গেছৰ ৰাজসাহায্য কৰ্তনঃ</u>

ৰন্ধন গেছৰ দৰে এক অতি প্ৰয়োজনীয় নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ ওপৰত পূৰ্বৰ ইউ পি এ চৰকাৰে প্ৰৱৰ্তন কৰা ৰাজসাহায্যৰ পৰা বৰ্তমানৰ বিজেপি চৰকাৰে চিলিণ্ডাৰে প্ৰতি ১৪ টকা ৰাজসাহায্য কৰ্তন কৰাত উপভোক্তাই অতিৰিক্ত ১৪ টকা ভৰিব লগীয়া হৈছে। আজিৰ কাৰ্যনিৰ্বাহক সভাই বিজেপি চৰকাৰৰ এনে হঠকাৰী সিদ্ধান্তক গৰিহণা দিছে আৰু শীৰ্ঘ্ৰেই এই ব্যৱস্থা প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাইছে।

ক্ৰমশ...

৪) গণবিৰোধী বাজেটঃ

অসমৰ বিজেপি চৰকাৰে যোৱা আগষ্ট মাহত বিধানসভাত দাখিল কৰা বাজেটত কৃষি বিভাগকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগত পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ আমোলত আৱণ্টিত পুঁজিৰ তুলনাত বহু পৰিমাণৰ পুঁজি কৰ্তন কৰিছে। ঠিক সেইদৰে সংখ্যালঘু ৰাইজৰ উন্নয়ন, চাহ জনজাতি ৰাইজৰ উন্নয়ন, বিভিন্ন জনগোষ্ঠীয়, অনুসূচিত জাতি আৰু জনজাতি ৰাইজৰ উন্নয়ন শিতানত পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ আমোলত ধাৰ্য্য কৰা পুঁজিৰ তুলনাত এইবাৰৰ বাজেটত কম পৰিমাণৰ পুঁজি ধাৰ্য্য কৰা কাৰ্যই বিজেপি চৰকাৰৰ দৰিদ্ৰ বিৰোধী আৰু জনবিৰোধী চৰিত্ৰ প্ৰকট কৰি তুলিছে। ইয়াৰোপৰি, বিজেপি চৰকাৰৰ বিত্ত মন্ত্ৰী গৰাকীয়ে পূৰ্বৰ কংগ্ৰেছ চৰকাৰে এৰি যোৱা ১০,০০০ কোটি টকাৰ ঋণৰ বোজা বিজেপি চৰকাৰে ল'ব লগা হৈছে বুলি এক গোকাট মিছা কথাৰে জনসাধাৰণৰ আকৰ্ষণ অন্যফালে ধাবিত কৰিব বিচাৰিছে। যিহেতু গণতন্ত্ৰত চৰকাৰ এক অৱধাৰিত পৰম্পৰা। প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈদেৱেও ২০০১ চনত ৰাজ্যৰ শাসনভাৰ লওঁতে তদানীন্তন অগপ চৰকাৰে দীৰ্ঘদিন ধৰি কৰ্মচাৰীসকলক দা-দৰমহা নিদিয়াকৈ ৰাজকোষৰ তলি উদং কৰি যোৱা বিত্তীয় অৱস্থাৰ পৰা কংগ্ৰেছ দলৰ দক্ষ প্ৰশাসন আৰু সু-শৃংখল বিত্তীয় নীতিৰ ফলত তেনে বিধ্বস্ত অৰ্থনীতিৰ উন্নয়ন ঘটাই সুদীৰ্ঘ ১৫ বছৰে ৰাজ্যখনত সুস্থিৰ অৰ্থনীতি দিবলৈ সক্ষম হৈছিল। বিজেপি চৰকাৰৰ বিত্তমন্ত্ৰীগৰাকীয়ে কোৱাৰ দৰে ১০,০০০ কোটি টকাৰ ঋণৰ বোজা থাকিলে আজি পৰ্যন্ত ৰাজ্য চৰকাৰৰ কোষত 'অভাৰ ড্ৰাফট্' হ'ব লগা পৰিস্থিতি হ'লহেতেন। একমাত্ৰ নিজৰ বিফলতা ঢাকিবৰ বাবেই বিজেপি চৰকাৰৰ বিত্ত মন্ত্ৰীগৰাকীয়ে এনে মিথ্যাচাৰৰ আশ্ৰয় লৈছে বুলি আজিৰ সভাই মতপোষণ কৰে। বিজেপি চৰকাৰৰ এনে গণবিৰোধী অৰ্থনীতি পৰিহাৰ কৰিবলৈ আজিৰ সভাই দাবী জনাইছে।

৫) তৈলক্ষেত্ৰৰ ব্যক্তিগতকৰণঃ

শাসনত অধিস্থিত হৈয়ে অসমৰ বিজেপি চৰকাৰে অসমত থকা ১২ খন ক্ষুদ্ৰ তৈলক্ষেত্ৰ ব্যক্তিগত কোম্পানীক নিলামত দিবলৈ লোৱা সিদ্ধান্তত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ আজিৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভাই তীব্ৰ বিৰোধিতা কৰিছে। এনে হঠকাৰী সিদ্ধান্তই অসমৰ সম্পদৰ ওপৰত ৰাজ্য চৰকাৰৰ অধিকাৰ খৰ্ব কৰিছে। এনে সিদ্ধান্তই ৰাজ্যৰ নিবনুৱা সমস্যা জটিল কৰাৰ লগতে ব্যাপক পৰিমাণৰ ৰাজহ আৰু খাৰুৱা তেলৰ প্ৰাপ্য ৰয়েল্টীৰ পৰা বঞ্চিত কৰিব। সেয়েহে আজিৰ সভাই অসম চৰকাৰক ৰাজ্যৰ স্বাৰ্থৰ পৰিপন্থী এনে সিদ্ধান্ত বাতিল কৰিবলৈ দাবী জনায়। লগতে গুজৰাট চৰকাৰৰ আহিঁত গুজৰাট ৰাজ্যিক পেট্ৰ'লিয়াম কৰ্পৰেচনক যেনেধৰণে গুজৰাটত খাৰুৱা তেলৰ উদ্‌ঘাটন কৰিবলৈ অনুমতি দিছে ঠিক একেদৰে অসমত এই ১২ খন তৈলক্ষেত্ৰ ব্যক্তিগত কোম্পানীক নিলামত দিয়াৰ পৰিৱৰ্তে অসম চৰকাৰৰ দ্বাৰা পৰিচালিত Assam Hydrocarbon and Energy Company Ltd. বা Assam Petrochemicals Ltd বা Assam Gas Company Ltd আদি প্ৰতিষ্ঠানসমূহক খাৰুৱা তেল উদ্‌ঘাটনৰ দায়িত্ব দিব লাগে।

ক্ৰমশ...

৬) <u>অসমৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ চৰম অৱহেলাত অসমৰ বিজেপি চৰকাৰ নিমাতঃ</u>

আগতে প্ৰতিটো কথাতে অসমৰ কংগ্ৰেছ চৰকাৰক কেন্দ্ৰৰ কংগ্ৰেছ চৰকাৰৰ ওচৰত আঁঠু লোৱা বুলি সততে অভিযোগ তোলা বিজেপি দলে এতিয়া অসমত বিজেপি চৰকাৰ গঠন কৰাৰ পিছত কেন্দ্ৰৰ বিজেপি চৰকাৰে যি ধৰণে অসমক অৱহেলা কৰিছে তৎস্বত্তেও অসমৰ বিজেপি দল আৰু চৰকাৰে ইয়াৰ প্ৰতিবাদ কৰা দূৰৰ কথা, ক্ষমতাৰ কাৰনে অসমৰ স্বাৰ্থক জলাঞ্জলি দি নিৰ্বিবাদে কেন্দ্ৰৰ সকলো বঞ্চনা মানি লৈছে। উদাহৰণস্বৰূপে ঃ-

ক) বছৰত দেশৰ দুই কোটি নিবনুৱা যুৱক-যুৱতীক কৰ্মসংস্থাপন দিয়াৰ প্ৰতিশ্ৰুতি দিয়া বিজেপি চৰকাৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ইউ পি এ চৰকাৰে ঘোষণা কৰা North East Industrial Investment and Promotion Policy, 2007, নিলম্বিত কৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উদ্যোগিক বিকাশ আৰু নিয়োগ বন্ধ কৰা সত্বেও অসমৰ বিজেপি চৰকাৰে ইয়াৰ কোনো প্ৰতিবাদ কৰা নাই। আজিৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভাই এই ক্ষেত্ৰত কংগ্ৰেছ দলৰ পূৰ্বৰ স্থিতি দোহাৰি এনে অসম বিৰোধী কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰিছে।

খ) অসমকে ধৰি ভাৰতবৰ্ষত সৰ্বমুঠ ১১ খন ৰাজ্যই দীৰ্ঘ দিনৰ পৰা পাই অহা বিশেষ ৰাজ্যৰ মৰ্য্যদাৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ পৰা যিধৰণে বিশেষ বিত্তীয় সাহায্য/অনুদান পাই আহিছিল, কেন্দ্ৰত বিজেপি চৰকাৰে শাসনত অধিষ্ঠিত হৈয়ে এই বিশেষ ৰাজ্যৰ মৰ্য্যদা কৰ্তন কৰিলে। ঠিক একেদৰে দীৰ্ঘদিন ধৰি অসমে বিভিন্ন শিতানত ৯০ঃ১০ আৰ্হিত যি কেন্দ্ৰীয় পুঁজি লাভ কৰি আহিছিল, বিজেপি চৰকাৰে ইয়াক বন্ধ কৰি দিলে, যাৰ ফলত অসমৰ সামগ্ৰিক উন্নয়নত এক অপূৰণীয় ক্ষতি হৈছে। অসমক ভাৰতৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তোলা হ'ব বুলি ফিটাহি মৰা বিজেপি দলক আমি প্ৰশ্ন কৰো যে এনেদৰে অসমৰ উন্নয়ন ক্ষতিগ্ৰস্ত কৰি কি যাদুৰে অসমক ভাৰতৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ ৰাজ্য কৰিব। অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে কেন্দ্ৰৰ বিজেপি চৰকাৰৰ এনে অসম বিৰোধী সিদ্ধান্তৰ তীব্ৰ প্ৰতিবাদ জনাই আন্দোলন কৰিব লগা হৈছিল যদিও বিজেপি চৰকাৰে আজি পৰ্যন্ত কোনো কাণসাৰ দিয়া নাই। অসমৰ বিজেপি দল আৰু চৰকাৰে এই সন্দৰ্ভত আজি পৰ্যন্ত কোনো প্ৰতিবাদ কৰা দূৰৰ কথা বৰঞ্চ বিজেপি চৰকাৰৰ এগৰাকী মন্ত্ৰীয়ে গাৰ জোৰেৰে বিশেষ ৰাজ্যৰ মৰ্য্যদা আৰু ৯০ঃ১০ অনুপাতৰ কেন্দ্ৰীয় পুঁজি কৰ্তন নাই হোৱা বুলি চালে বেৰে কোবাই এটা মিছা কথা সঁচা সাব্যস্ত কৰিবলৈ বৃথা চেষ্টা চলাই আহিছে। আজিৰ সভাই অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ পূৰ্বৰ স্থিতিত অটল থাকি উল্লেখিত দুয়োটা সিদ্ধান্ত অনতিবিলম্বে পৰিহাৰ কৰিবলৈ দাবী জনাইছে।

গ) কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰৰ আমোলত অসমত ১০০ শতাংশ কেন্দ্ৰীয় পুঁজিৰ অধীনত ৬৬ খন আঁচনি ৰূপায়ন হৈ আছিল যদিও যোৱা কেন্দ্ৰীয় বাজেটৰ পাছত ইয়াৰে ৪০ খন আঁচনি কৰ্তন কৰাৰ পাছতো অসমৰ বিজেপি চৰকাৰে কোনো প্ৰতিবাদ নকৰাত আজিৰ সভাই আশ্চৰ্য্য প্ৰকাশ কৰিছে । অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে কেন্দ্ৰৰ বিজেপি চৰকাৰৰ অসমৰ প্ৰতি এনে অৱহেলাত গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে কৰ্তন কৰা আঁচনিসমূহ পুনৰ প্ৰৱৰ্তনৰ দাবী জনাইছে।

ক্ৰমশ...

৭) <u>খাদ্য সুৰক্ষা আঁচনিৰ অনিশ্চয়তাঃ</u>

কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰে সমগ্ৰ দেশত প্ৰৱৰ্তন কৰা খাদ্য সুৰক্ষা আঁচনিৰ অধীনত অসমৰ কংগ্ৰেছ চৰকাৰেও প্ৰতি কেজিত তিনি টকা দৰত দৰিদ্ৰ ৰাইজলৈ চাউল বিতৰণ আঁচনি কাৰ্যকৰী কৰিছিল। কেৱল ইমানেই নহয় তদানীন্তন মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈদেৱে দৰিদ্ৰ ৰাইজক আৰু অধিক সকাহ দিবলৈ উক্ত আঁচনিৰ যোগে সৰ্বভাৰতীয় পৰ্যায়ত প্ৰতি কেজিত তিনি টকাৰ পৰিৱৰ্তে প্ৰতি কেজিত এক টকা অসম চৰকাৰে বহন কৰিবলৈ সিদ্ধান্ত লৈ ৰাইজক প্ৰতি কেজিত দুটকা দৰত চাউল বিতৰণৰ ব্যৱস্থা কৰিছিল। কিন্তু, পৰিবৰ্তনৰ সপোন দেখুওৱা বিজেপি দলৰ চৰকাৰে অসমৰ দৰিদ্ৰ ৰাইজক মাধমাৰ শোধাই অসমৰ পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ প্ৰতি কেজিত দুটকা দৰৰ পৰিবৰ্তে পুনৰ প্ৰতি কেজিত তিনি টকা দৰ প্ৰৱৰ্তন কৰিবলৈ সিদ্ধান্ত লৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ আজিৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভাই বিজেপি চৰকাৰৰ এনে দৰিদ্ৰ বিৰোধী সিদ্ধান্তৰ বিৰোধিতা কৰে আৰু অবিলম্বে এই সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাইছে।

উল্লেখযোগ্য যে, খাদ্য সুৰক্ষা আঁচনিৰ চাউল ভাৰতীয় খাদ্য নিগমৰ গুদামৰ পৰা আনি হিতাধিকাৰীৰ মাজত বিতৰণ কৰালৈকে হোৱা পৰিবহণ খৰচ ৰাজ্য চৰকাৰে সমবায় সমিতিসমূহক এতিয়ালৈকে আদায় দিবলগীয়া প্ৰায় ৩০০ কোটি টকা মোকলাই নিদিয়াত সমবায় সমিতিসমূহে চাউল সংগ্ৰহৰ দায়িত্ব ল'বলৈ অস্বীকাৰ কৰিছে। যাৰ ফলত এই আঁচনিখনৰ সফল ৰূপায়নলৈ অনিশ্চয়তা আহি পৰিছে। আজিৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভাই কংগ্ৰেছ চৰকাৰে প্ৰৱৰ্তন কৰা খাদ্য সুৰক্ষা আঁচনিৰ অধীনত দৰিদ্ৰ ৰাইজে পাই অহা চাউল যাতে কোনো কাৰণতে বন্ধ নহয় তাক নিশ্চিত কৰিবলৈ দাবী জনায়।